**Seven Days NSS Camp**

**AsomiyaPratidin, 6th May, 2023, p.4**

## গোৱালপাৰা আমজোংগাৰ পণ্ডিত দীনদয়াল মহাবিদ্যালয়

# ৰাষ্ট্ৰীয় সেৱা আঁচনি গোটৰ সাতদিনীয়া শিবিৰ

**প্ৰতিদিন বিশেষ সেৱা, গোৱালপাৰা, ৫ মে' ঃ** গোৱালপাৰা জিলাৰ আমজোংগাস্থিত পণ্ডিত দীনদয়াল উপাধ্যায় আদৰ্শ মহাবিদ্যালয়ৰ ৰাষ্ট্ৰীয় সেৱা আঁচনি চমুকৈ এন এছ এছ গোটৰ উদ্যোগত পাহাৰতলী দ্বিতীয় খণ্ড গাঁৱত অলপতে সাতদিনীয়া বিশেষ শিবিৰ অনুষ্ঠিত হয়। মহাবিদ্যালয়খনৰ অধ্যক্ষ ড° নৱজ্যোতি শৰ্মাই জনোৱামতে যোৱা ৬ এপ্ৰিলত পাহাৰতলী ২ নং খণ্ড প্ৰাথমিক বিদ্যালয় প্ৰাংগণত ৰাষ্ট্ৰীয় সেৱা আঁচনিৰ সদস্যসকলে গছপুলি ৰোপণ কৰে। ৰাষ্ট্ৰীয় সেৱা আঁচনিৰ দ্বাৰা পোষ্য গাঁও হিচাপে ঘোষণা কৰা পাহাৰতলী দ্বিতীয় খণ্ড গাঁৱত স্বচ্ছতা কাৰ্যসূচী ৰূপায়ণ কৰাৰ উপৰি মহাবিদ্যালয়ৰ বিভিন্ন বিভাগৰ সহকাৰী অধ্যাপক আৰু ছাত্ৰ-ছাত্ৰীৰ সহযোগত নাৰী শিক্ষাৰ সবলীকৰণ, খোৱাপানীৰ ব্যৱহাৰ, সৰ্প দংশন আৰু ইয়াৰ প্ৰতিকাৰ, সেউজীয়া প্ৰযুক্তিৰ ব্যৱহাৰ, কম্পিউটাৰ শিক্ষাৰ প্ৰসাৰ আৰু ম'বাইলৰ প্ৰতি আসক্তি, গছ আৰু ইয়াৰ উপকাৰিতা সম্পৰ্কে গাঁওবাসীক অৱগত কৰে। তদুপৰি মহাবিদ্যালয়ৰ ৰাষ্ট্ৰীয় সেৱা আঁচনিৰ উদ্যোগত তথা ত্ৰিশখন বিছনাযুক্ত বংজুলি খণ্ড প্ৰাথমিক চিকিৎসালয়ৰ সহযোগত ১১ এপ্ৰিলত গাঁওখনত এটা বিনামূলীয়া চিকিৎসা শিবিৰ অনুষ্ঠিত কৰা হয়। বিশেষ শিবিৰৰ অন্তিম দিনৰ কাৰ্যসূচী হিচাপে ১২ এপ্ৰিলত ৰাষ্ট্ৰীয় সেৱা আঁচনিৰ সদস্যসকলে শিশু শ্ৰমিক আৰু বাল্য বিবাহ সন্দৰ্ভত এখন বাটৰ নাট প্ৰদৰ্শন কৰে। তদুপৰি গাঁওবাসী তথা প্ৰাথমিক বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে বিভিন্ন সাংস্কৃতিক কাৰ্যসূচী ৰূপায়ণ কৰে। উল্লেখ্য যে সাতদিনীয়া এই বিশেষ শিবিৰৰ সামৰণী অনুষ্ঠানত ৰাষ্ট্ৰীয় সেৱা আঁচনিৰ প্ৰকল্প বিষয়া ড° ক্ষীৰোধ শৰ্মাই সদস্যসকলক যোগ্যতাৰ প্ৰমাণপত্ৰ প্ৰদান কৰে। উক্ত সামৰণী অনুষ্ঠানত মহাবিদ্যালয়খনৰ অধ্যক্ষ ড° নৱজ্যোতি শৰ্মাৰ লগতে স্থানীয় জ্যেষ্ঠ নাগৰিক উদ্ধৱ ৰাভা, সুনীল ৰাভা আদি উপস্থিত থাকে।